**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

পথৰুঘাটৰ কৃষক ছহিদসকলৰ সোঁৱৰণত দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি অন্তিম দিনা কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি এটা বিশেষ ডাক টিকট মুকলি কৰা হয়। দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আজিৰ মুকলি অধিৱেশন এই ডাক টিকট মুকলি কৰে। অনুষ্ঠানৰ অংশ হিচাপে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়।

পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

গুৱাহাটীৰ আমবাৰীতো আজি অসম কৃষক পৰিষদৰ মুখ্য কাৰ্যালয়ত কৃষক ছহিদ দিৱস পালন কৰা হয়। অনুষ্ঠানত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰি পথৰুঘাটৰ বিদ্ৰোহত প্ৰাণ আহুতি দিয়া ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০

শিৱসাগৰ জিলাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ আজি অন্তিম দিনা তলাতল ঘৰৰ বাকৰিৰ পৰা এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমৰ বাৰেৰহনীয়া সাংস্কৃতিক প্ৰতিফলিত কৰা এই শোভাযাত্ৰা লোক সংস্কৃতিৰ সাধক তথা শিক্ষাবিদ ড০ অনিল শইকীয়াই উদ্বোধন কৰে। পুৱাৰ ভাগত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মাকে ধৰি ছাত্ৰ সন্থাৰ সদস্যসকলে পথৰুঘাটৰ কৃষক বিদ্ৰোহত প্ৰাণ আহুতি কৃষক ছহিদসকলক সুঁৱৰি ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত সন্থাৰ সাধাৰণ সভা উপলক্ষে প্ৰকাশিত তিনিখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ প্ৰতিনিধি সভাত কালি সংগঠনটোৰ পৰৱৰ্তী সাধাৰণ সম্পাদক হিচাপে সমীৰণ ফুকনক বাছনি কৰা হয়। প্ৰতিনিধি সভাই সংগঠনটোৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেক উপ-সভাপতি হিচাপে মনোনীত কৰাৰ লগতে তিনিচুকীয়াৰ সমৰ গোহাঁই, চৰাইদেউৰ অনুপজ্যোতি ভূঞাক সহকাৰী সাধাৰণ সম্পাদক হিচাপে আৰু শোণিতপুৰৰ নয়নজ্যোতি গগৈক সাংগঠনিক সম্পাদক হিচাপে মনোনীত কৰে।

০০০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে এটা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু কৰিছে। এই গোচৰটোৰ ভিত্তিত আজি শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ খণ্ড বিচাৰপীঠে ৰাজ্যত এন্দুৰৰ গাঁত সদৃশ খনন বন্ধ কৰাৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিছে, সেই সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। শুনানি কালত মহাধিবক্তা দেৱজিৎ শইকীয়াই উমৰাংছ'ৰ কয়লাখনিত সংঘটিত ঘটনাৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এজনীয়া আয়োগ গঠনকে ধৰি চৰকাৰে গ্ৰহণ কৰা অন্যান্য

পদক্ষেপসমূহ ন্যায়ালয়ক অৱগত কৰে। ইয়াৰ পাছতে ন্যায়ালয়ত অহা ৭ ফেব্ৰুৱাৰীত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। সেইদিনা চৰকাৰে এনেধৰণৰ খনন বন্ধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ সন্দৰ্ভত ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিব লাগিব।

০০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ ৮ হাজাৰ নৃত্য শিল্পীক লৈ বিশ্ব অভিলেখৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ঠায়ে ঠায়ে নৃত্য শিল্পীৰ অ'ডিচন আৰু কৰ্মশালাৰ আয়োজন কৰা হৈছে। গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টি আৰু গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ নাচনী, ধুলীয়া, তালোৱা আৰু বাঁহীবাদকৰ বাবে অ'ডিচন আজি অনুষ্ঠিত হৈছে। ইয়াৰ লগতে কেইবাগৰাকীও প্ৰশিক্ষকে শিল্পীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। এই প্ৰশিক্ষণৰ পৰা ডেৰশগৰাকী শিল্পীক মাণ্ডলিক পৰ্যায়ৰ বাবে নিৰ্বাচন কৰা হ'ব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ হাতীখুলি হালধিবাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথত উদ্যানখনৰ ওলাই অহা এটা গঁড়ৰ আক্ৰমণত বিক্ৰম লোহাৰ নামৰ এজন ব্যক্তিৰ মৃত্যু হয়। গঁড়টোৰ আক্ৰমণত গুৰুতৰভাবে আহত লোকজনক প্ৰথমে বোকাখাতৰ ছহিদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈ যদিও চিকিৎসালয়তে তেওঁৰ মৃত্যু হয়।

০০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত আজি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ উদ্বোধনী অনুষ্ঠান আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময়ৰ পাছতে এই ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। অনুষ্ঠানত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, ভাৰতীয় অলিম্পিক সন্থাৰ বিষয়ববীয়া তথা ৰাষ্ট্ৰীয় খেলুৱৈ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা কালিয়েই ডেৰাডুনত উপস্থিত হৈছে।

আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি উদ্বোধনী কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। উত্তৰাখণ্ডৰ ৮ খন জিলাৰ ১১ খন নগৰত অহা ১৪ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলসমূহ খেলোৱা হ'ব। প্ৰতিযোগিতাত ৩৫ বিধ খেলৰ মুঠ ৪৭টা ইভেণ্ট থাকিব। আজিৰ উদ্বোধনী অনুষ্ঠানত অসমৰ দুজন আন্তৰ্জাতিক ক্ৰীড়াবিদ শ্বাটলাৰ অস্মিতা চলিহা আৰু উশু খেলুৱৈ চানমা ব্ৰহ্মই অসম দলৰ ধবজা বহন কৰিব। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ২২ বিধ খেলত অংশ ল'ব।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ৫ খনীয়া শৃংখলাত সূৰ্য কুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতৰ দলটো সম্প্ৰতি ২-০ৰ ব্যৱধানত আগবাঢ়ি আছে। কলকাতাত অনুষ্ঠিত শৃংখলাৰ প্ৰথম খেলখনত ভাৰতে ইংলেণ্ডক ৭ উইকেটত আৰু চেন্নাইত অনুষ্ঠিত দ্বিতীয়খন খেলত ২ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০

**সমাপ্ত**